Krishna Kanta Handiqui State Open University
MA 3rd Sem. Examination, 2015
বিষয় ঃ অসমীয়া
অসমীয়া ভক্তি-সাহিত্য

সময় ঃ ৩ ঘণ্টা মুঠ নম্বৰ ঃ ৮০

১। তলৰ যিকোনো *পাঁচটাৰ* অতি চমু উত্তৰ লিখক— ২×৫ = ১০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) বাসুদেৱক দেৱতা হিচাপে পূজা কৰাসকলক কি বোলা হৈছিল? পাঞ্চৰাত্ৰ ব্যৱস্থা কি?

(খ) দামোদৰীয়া বৈষ্ণৱ ধৰ্মৰ দুটা প্ৰধান মতাদৰ্শ উল্লেখ কৰক।

(গ) শৈৱ সাহিত্য বুলিলে কি বুজে?

(ঘ) ভাৰতীয় পৰম্পৰা অনুসৰি পু�ৰাণ পঞ্চলক্ষণাত্মক। এই পাঁচটা লক্ষণ কি কি?

(ঙ) শাক্ত ধৰ্মৰ মূল উপাস্য শক্তিৰ অধিষ্ঠাত্ৰী দেৱীৰ দহটা নাম উল্লেখ কৰক।

(চ) 'আলৱাৰ' শব্দৰ অৰ্থ কি?

২। তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক— ৪×৩ = ১২
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) 'ভক্তি সাহিত্যৰ আধাৰ বৈদিক সাহিত্য।'— কথাষাৰ বিচাৰ কৰক।

(খ) শংকৰদেৱৰ ভক্তিতত্ত্ব প্ৰকাশক গ্ৰন্থ তিনিখন কি কি? সিবিলাকৰ এটি চমু আভাস দাঙি ধৰক।

(গ) 'ভক্তি বিবেক' গ্ৰন্থখনিত ভক্তিৰ স্থান নিৰূপণ কৰক।

(ঘ) অসমত শাক্ত ধৰ্মৰ ঐতিহ্য সম্পৰ্কে আপোনাৰ ধাৰণা ব্যক্ত কৰক।

৩। তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক— ৬×৩ = ১৮
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ২৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) অসমীয়া ভক্তি সাহিত্যৰ আদৰ্শ আৰু সীমাবদ্ধতা সম্পৰ্কে এটি টোকা লিখক।

(খ) প্ৰকৰণ গ্ৰন্থ হিচাপে 'ভক্তি ৰত্নাকৰ'ৰ এটি পৰিচয়মূলক টোকা আগবঢ়াওক।

(গ) 'শিৱ পুৰাণ'ত পৰিস্ফুট হোৱা বৈশিষ্ট্যকেইটা উল্লেখ কৰক।

(ঘ) অধ্যায় বিভাজন কৰি 'শিৱ পুৰাণ'ৰ বিষয়বস্তুৰ এটি আলোচনা যুগুত কৰক।

৪। তলৰ যিকোনো *চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখক— ১০×৪ = ৪০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) ভক্তি মানে কি? ভক্তি আন্দোলনৰ লগতে ভক্তি সাহিত্য সৃষ্টিত ৰামানন্দ, কবীৰ আৰু নানকৰ ভূমিকা সম্পৰ্কে বিশ্লেষণ কৰক।

(খ) ভাৰতীয় ভক্তি ধৰ্মৰ পৰম্পৰাত বিশেষভাৱে গুৰুত্ব লাভ কৰা শংকৰদেৱৰ 'ভক্তি ৰত্নাকৰ' গ্ৰন্থখনৰ এটি সমীক্ষা আগবঢ়াওক।

(গ) অসমীয়া শাক্ত সাহিত্য— এই বিষয়ে এটি প্ৰবন্ধ যুগুত কৰক।

(ঘ) শংকৰোত্তৰ যুগৰ অসমীয়া ভক্তি সাহিত্যৰ ধাৰা সম্পৰ্কে এটি আলচ যুগুত কৰক।

(ঙ) ভট্টদেৱৰ 'ভক্তি বিবেক'ত প্ৰকাশ পোৱা ধৰ্ম-দৰ্শন অৰ্থাৎ আধ্যাত্মিক তত্ত্ব সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

Krishna Kanta Handiqui State Open University
MA 3rd Sem. Examination, 2015
বিষয় ঃ অসমীয়া
ভাষা বিজ্ঞানৰ সাধাৰণ পৰিচয়

সময় ঃ ৩ ঘণ্টা মুঠ নম্বৰ ঃ ৮০

১। তলৰ যিকোনো *পাঁচটাৰ* অতি চমু উত্তৰ লিখক— ২×৫ = ১০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) ভাষাবিজ্ঞান আৰু ব্যাকৰণৰ দুটা পাৰ্থক্য উল্লেখ কৰক।
(খ) প্ৰায়োগিক ভাষাবিজ্ঞান মানে কি লিখক।
(গ) 'ধ্বনিতত্ত্ব' শব্দই কি কি বিষয় সামৰি লয় উল্লেখ কৰক।
(ঘ) শব্দৰ অর্থ পৰিৱৰ্তনৰ দুটা কাৰণ উল্লেখ কৰক।
(ঙ) অসমত প্ৰচলিত টাই উপশাখাৰ অন্তৰ্গত ভাষাৰ বিষয়ে উল্লেখ কৰক।
(চ) ভাষাবিজ্ঞানৰ আলোচনাত ব্লুমফিল্ডৰ বৰঙণি ব্যাখ্যা কৰক।

২। তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক— ৪×৩ = ১২
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) ভাষাবিজ্ঞানক বিজ্ঞান বোলাৰ যুক্তি ব্যাখ্যা কৰক।
(খ) বৰ্ণনাত্মক ভাষাবিজ্ঞান আৰু ঐতিহাসিক ভাষাবিজ্ঞান বুলিলে কি বুজায় উল্লেখ কৰি এই দুই প্ৰকাৰৰ ভাষাবিজ্ঞানৰ পাৰ্থক্য আৰু সম্পৰ্ক বিচাৰ কৰক।
(গ) বিশিষ্ট ধ্বনিবিজ্ঞান বা বৰ্ণবিজ্ঞানৰ আলোচ্য বিষয় উদাহৰণসহ ব্যাখ্যা কৰক।
(ঘ) পৃথিৱীৰ ভাষাসমূহক ভাষাবিজ্ঞানীসকলে কি দৃষ্টিভংগীৰে বিভাজন কৰিছে, আলোচনা কৰক।

৩। তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক— ৬×৩ = ১৮
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ২৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) ভাষাবিজ্ঞান আৰু ভাষাতত্ত্বৰ মাজৰ পাৰ্থক্যসমূহ আলোচনা কৰক।

(খ) ভাষা-বিশ্লেষণৰ স্তৰ অনুসৰি ভাষাবিজ্ঞানক কি কি ভাগত ভাগ কৰা হয়, আলোচনা কৰক।
(গ) শব্দৰ অর্থতত্ত্বৰ ধাৰণা চমুকৈ উল্লেখ কৰি শব্দৰ অর্থ পৰিৱৰ্তনৰ কাৰণসমূহ দাঙি ধৰক।
(ঘ) ইণ্ডো-ইৰাণীয় ভাষাৰ উপশাখা তিনিটাৰ বিষয়ে আলোচনা কৰক।

৪। তলৰ যিকোনো *চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখক— ১০×৪ = ৪০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৪০০-৫০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) প্ৰাচ্য আৰু পাশ্চাত্যৰ বিভিন্ন ঠাইত ব্যাকৰণ ৰচনাৰ ধাৰাৰ বিষয়ে আভাস দিয়ক।
(খ) ভাষা-চিন্তা-চৰ্চাৰ ক্ৰমবিকাশৰ তৃতীয় ধাৰা ভাষাবিজ্ঞানৰ বিষয়ে আলোচনা কৰক।
(গ) সমাজ ভাষাবিজ্ঞানৰ সৃষ্টিৰ কাৰণ উল্লেখ কৰি সমাজ ভাষাবিজ্ঞানে সামৰি লোৱা বিষয়বস্তু সম্পৰ্কে উদাহৰণসহ আলোচনা কৰক।
(ঘ) বাক্যৰ বিভিন্ন শ্ৰেণীবিভাগ সম্পৰ্কে অসমীয়া ভাষাৰ উদাহৰণসহ আলোচনা কৰক।
(চ) দ্ৰাবিড় ভাষাগোষ্ঠীৰ বিভিন্ন ভাষাৰ প্ৰচলন ভাৰতবৰ্ষৰ কোন কোন ঠাইত আছে, সেই সম্পৰ্কত এটি আলোচনা দাঙি ধৰক।